**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-JUNE-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

০০০০০০

উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ-পূব পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীৰ প্ৰতিবেদন সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাঁথনি আৰু যোগাযোগ তথা হস্ততাঁত-হস্তশিল্প, গাখীৰ, কণী, মাছ-মাংসৰ উৎপাদনৰ স্বাৱলম্বিতা অৰ্জনক লৈ উত্তৰ-পূবৰ মুখ্যমন্ত্ৰীসকলে প্ৰতিবেদন দাখিল কৰিব। এই অধিৱেশনত বিভিন্ন ৰাজ্যৰ প্ৰতিনিধি আৰু অংশীদাৰসকলৰ মাজত উন্নয়নৰ লক্ষ্য সন্দৰ্ভত উমৈহতীয়া মতামত গঢ়ি তোলাৰ লগতে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলক ২০৪৭ চনৰ ভিতৰত অৰ্থনৈতিক উন্নয়ন, যোগাযোগ, উদ্ভাৱন, বহনক্ষমতা আৰু সাংস্কৃতিক সমৃদ্ধিৰ প্ৰাণৱন্ত কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উত্তৰ-পূব ভৱিষ্য পৰিকল্পনা ২০৪৭ সন্দৰ্ভত এই বৈঠকত আলোচনা কৰা হ'ব।

উল্লেখযোগ্য যে ১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইনৰ অধীনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ-পূব পৰিষদে সমগ্ৰ অঞ্চলটোৰ পৰিকল্পনা গ্ৰহণৰ ক্ষেত্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে কাম কৰি আহিছে। এই পৰিষদে অঞ্চলটোত সমন্বিত উন্নয়ন আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদ শক্তিশালী কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। আজিৰ অনুষ্ঠানত ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ড'নাৰ ৰাজ্য মন্ত্ৰী সুকান্ত মজুমদাৰ, উত্তৰ-পূবৰ ৮ খন ৰাজ্যৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকিব।

০০০০০০

সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা আজি প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক নতুন দিল্লীত কৰা সাক্ষাতৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা গুৱাহাটীলৈ উভতি আহিছে। বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনামৰ্মে মুখ্যমন্ত্ৰীয়ে নতুন মন্ত্ৰীসকলক দায়িত্ব অৰ্পন কৰিব বুলি কোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। এই অনুষ্ঠানৰ অভ্যৰ্থনাৰ বাবে অসম অসামৰিক সেৱাৰ ৮ গৰাকী বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১২ মে'ত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ সৈতে ৰামেশ্বৰ তেলী, অতুল বৰা, অজন্তা নেওগ আৰু চৰণ বড়োৱে মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিছিল। মন্ত্ৰীসভা গঠন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে মিলিত হয়।

০০০০০০

শ্ৰীভূমি জিলাৰ পথ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫৬ কোটি টকা আৱণ্টন দিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাদকাৰীৰ পৰা সাক্ষাতৰ

সময়ত মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পথ উন্নয়নৰ প্ৰসংগ উল্লেখ কৰিছিল। ইয়াৰ পাছতে জিলাখনৰ পথ উন্নয়নৰ বাবে চৰকাৰে এই ধনৰাশি আবণ্টন দিছে বুলি পাথাৰকান্দিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী কৃষ্ণেন্দু পালে প্ৰকাশ কৰিছে। কালি এই আবণ্টিত ধনৰাশি ব্যৱহাৰ আৰু পথ উন্নয়ন প্ৰকল্প ৰূপায়ণ সন্দৰ্ভত শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন বৈঠকৰ পাছত শ্ৰী পালে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পথ নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

বাইট

০০০০০০

মধ্য প্ৰাচ্যৰ যুদ্ধৰ ফলত হৰমুজ প্ৰণালী বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত ইন্ধনজাত সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে দেশত সৃষ্টি কৰা অভাৱনীয় পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিটিচি পাৰিষদীয় চৰকাৰে কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুসৰি বিটিচিৰ সকলো কাৰ্যবাহী পাৰিষদ আৰু পাৰিষদসকলৰ দৰমহা অহা ৬ মাহৰ বাবে ৩০ শতাংশ হ্ৰাস কৰা হৈছে। কোকৰাঝাৰৰ বড়োলেণ্ড সচিবালয়ত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত বৈঠকৰ অন্তত কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে সাংবাদিকৰ এই কথা সদৰি কৰে।

তেওঁ কয়, যে পূৰ্বতে দিয়া প্ৰতিশ্ৰুতি অনুসৰি বিটিচিৰ ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গ্ৰামাঞ্চলৰ নাগৰিকক ৭ বিঘা আৰু নগৰাঞ্চলৰ নাগৰিকৰ ডেৰ কঠা মাটিৰ পট্টা প্ৰদানক লৈ বৈঠকত বিস্তৃতভাৱে আলোচনা কৰা বলি তেওঁ উল্লেখ কৰে। শ্ৰীবসুমতাৰীয়ে কয়, যে ভূমিহীন লোকক ভূমিৰ পট্টা প্ৰদানৰ বাবে প্ৰকৃত ভূমিহীন নাগৰিকক চিনাক্ত কৰাৰ বাবে মাণ্ডলিক কমিটী গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে বিটিচি অঞ্চলত নতুনকৈ গো-হাট স্থাপন কৰাৰ উপৰি বন্ধ হৈ থকা গো-হাটসমূহ পুনৰ মুকলি কৰা বাবেও কালিৰ বৈঠকত কাৰ্যকৰী সিদ্ধান্ত গ্ৰহণ কৰা হয়। কোকৰাঝাৰ চহৰৰ চন্দ্ৰপাৰাৰ বিজুলীবাৰীস্থিত আই টি পাৰ্ক চৌহদত স্থাপন কৰা ব্যক্তিগত খণ্ডৰ স্বামী বিবেকানন্দ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক একেটা চৌহদতে অনলাইন পৰীক্ষা কেন্দ্ৰ খোলাৰ বাবে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত বিটিচিৰ পাৰিষদীয় চৰকাৰে লীজত দিয়া সিদ্ধান্ত গ্ৰহণ কৰা বুলি শ্ৰীবসুমতাৰীয়ে সদৰি কৰে।

০০০০০০

**সমাপ্ত**